# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 31-Aug-2025
**Time :** 1800 HRS

# *Assamese Evening Bulletin*

-------------------

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি শিলচৰৰ উধাৰবন্দৰ কাঁছাকান্তি মন্দিৰ দৰ্শন কৰাৰ লগতে কাঁছাকান্তি বিদ্যামন্দিৰৰ মুকলি মঞ্চৰ আধাৰশিলা স্থাপন কৰে। ৰাজ্য চৰকাৰৰ ২০২৫-২৬ বৰ্ষৰ আনটাইড পুঁজিৰ অধীনত এই মুকলি মঞ্চ নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰীগৰাকী বৰাক উপত্যকাৰ দুদিনীয়া ভ্ৰমণসূচীৰে আজি দুপৰীয়া শিলচৰত উপস্থিত হয়। ডঃ শৰ্মাই আজি শিলচৰৰ ৰাংগীৰখাৰি পইণ্টত নেতাজী সুভাষ চন্দ্ৰ বসুৰ নৱনিৰ্মিত প্ৰতিমূৰ্তি উন্মোচন কৰি নেতাজীৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। নেতাজী মূৰ্তি নৱনিৰ্মাণ আৰু স্থাপন সমিতিৰ উদ্যোগত ভাস্কৰ্য শিল্পী অৰুণ যোগীৰাজে এই ২৮ ফুট উচ্চতাৰ ব্ৰঞ্জৰ প্ৰতিমূৰ্তিটো নিৰ্মাণ কৰি উলিয়াইছে। এই অনুষ্ঠানৰ সৈতে সংগতি ৰাখি বিভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক অনুষ্ঠানো পৰিৱেশন কৰা হয়। ডঃ শৰ্মাই সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শিলচৰৰ কেপিটেল পইণ্টৰ পৰা ৰাংগীৰখাৰিলৈ ৭০০ কোটি টকা ব্যয় সাপেক্ষে এখন উৰণ সেতু নিৰ্মাণ কৰা হ'ব বুলি উল্লেখ কৰে। তেওঁ লগতে কাছাৰ জিলাৰ উধাৰবন্দ আৰু লক্ষীপুৰৰ ১৯ খন গাঁও ডিমা হাচাওৰ সৈতে সংযুক্ত কৰাৰ বিষয়ত কেৱল চৰ্চা কৰা হৈছে বুলি জানিবলৈ দিয়ে।

মুখ্যমন্ত্ৰী শৰ্মাই আজি ঘুংগুৰ বাইপাছত ছহিদ মংগল পাণ্ডেৰ নৱনিৰ্মিত প্ৰতিমূৰ্তিও উন্মোচন কৰে। ইয়াৰ তেওঁ এখন ৰাজহুৱা সভাত অংশ লয়। কাইলৈ তেওঁ শ্ৰীভূমি জিলাৰ পাথাৰকান্দি সম-জিলালৈ গৈ নৱনিৰ্মিত মণ্ডল বিজেপিৰ কাৰ্যালয় উদ্বোধন কৰিব। তেওঁ মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ কাৰ্যসূচীতো অংশ ল'ব।

ooooo

উৎসৱৰ বতৰত যাত্ৰীৰ অতিৰিক্ত ভিৰ নিয়ন্ত্ৰণ কৰাৰ উদ্দেশ্যে উত্তৰ-পূব সীমান্ত ৰে'লৱেই নিউ তিনিচুকীয়া আৰু এছ্ এম ভি টি বেংগালুৰুৰ মাজত দুখন উৎসৱ বিশেষ ৰে'ল চলাচল কৰোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই অনুসৰি নিউ তিনিচুকীয়া আৰু এছ্ এম ভি টি বেংগালুৰু বিশেষ ৰে'লগাড়ীখন ১৮ ছেপ্তেম্বৰৰ পৰা ৩০ অক্টোবৰ পৰ্যন্ত সন্ধিয়া ৬ বাজি ৪৫ মিনিটত তিনিচুকীয়াৰ পৰা যাত্ৰা কৰি দেওবাৰে পুৱা চাৰে ৯ বজাত এছ্ এম ভি টি বেংগালুৰুত উপস্থিত হ'ব। ওভতনি যাত্ৰাত ৰে'লগাড়ীখন ২১ ছেপ্তেম্বৰৰ পৰা ২ নৱেম্বৰ পৰ্যন্ত দেওবাৰে নিশা ১১ বাজি ৫০ মিনিটত যাত্ৰা কৰি বুধবাৰে বিয়লি ৪ বাজি ২৫ মিনিটত নিউ তিনিচুকীয়াত উপস্থিত হ'ব। যাত্ৰা পথত উভয় দিশৰ এই ৰে'লগাড়ীখন ডিব্ৰুগড়, ধেমাজি, উত্তৰ লখিমপুৰ, হাৰমতি, ৰঙাপাৰা নৰ্থ ৰঙিয়া, নিউ বঙাইগাঁও, নিউ কোচবিহাৰ আদি ষ্টেচনত ৰ'ব।

ooooo

ধেমাজিৰ চিলাপথাৰৰ চিমেনমুখত আজি কেইবাটাও মিচিং জাতীয় সংগঠনৰ উদ্যোগত আৰু বিভিন্ন ছাত্ৰ সংগঠনৰ সহযোগত মাদক দ্ৰব্যৰ বিৰুদ্ধে সজাগতামূলক মটৰচাইকেল ৰেলী উলিওৱা হয়। এই সজাগতামূলক ৰেলীৰ জৰিয়তে যুৱক-যুৱতীসকলৰ মাজত মাদক দ্ৰব্য সেৱন আৰু সৰবৰাহ ৰোধ কৰাৰ ক্ষেত্ৰত সকলোকে সজাগ কৰাৰ প্ৰয়াস কৰা হয়।

০০০০০

ৰাষ্ট্ৰীয় লোক আদালতৰ অংশ হিচাপে লখিমপুৰ জিলাত অহা ১৩ ছেপ্তেম্বৰত লোক আদালতৰ আয়োজন কৰা হৈছে। জিলা আইনসেৱা প্ৰাধিকৰণৰ উদ্যোগত লখিমপুৰ জিলা ন্যায়ালয় আৰু ঢকুৱাখনা মহকুমা ন্যায়ালয়ত এই আদালতৰ আয়োজন কৰা হৈছে। এই আদালতৰ জৰিয়তে শ্ৰম বিবাদ, বেংকৰ ঋণ অনাদায়কে ধৰি সমিলমিলেৰে মীমাংসা কৰিব পৰা ফৌজদাৰী আৰু দেৱানী গোচৰ নিষ্পত্তি কৰা হ'ব। লখিমপুৰ জিলা আইন প্ৰাধিকৰণৰ বিষয়াসকলে লোক আদালতৰ সুবিধা গ্ৰহণ কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

০০০০০

উত্তৰ-পূবৰ প্ৰথমগৰাকী অৰ্জুন বঁটা বিজয়ী এথলিট ভোগেশ্বৰ বৰুৱাৰ জন্মদিন উপলক্ষে ৩ ছেপ্তেম্বৰত উদযাপন কৰিবলগীয়া অভিৰুচি ক্ৰীড়া দিৱসৰ সৈতে সংগতি ৰাখি আজি ৰংপুৰ জিলা ক্ৰীড়া সন্থাই শিৱসাগৰৰ জয়সাগৰত দিনজোৰা কাৰ্যসূচীৰে আন্তঃক্লাব সাঁতোৰ প্ৰতিযোগিতাৰ আয়োজন কৰে। ২০০৪ চনৰ এথেন্স অলিম্পিকত দেশক প্ৰতিনিধিত্ব কৰা ভাৰোত্তোলক প্ৰতিমা কুমাৰী দেৱীয়ে এই প্ৰতিযোগিতাৰ উদ্বোধন কৰে। প্ৰায় ডেৰ শতাধিক প্ৰতিযোগীয়ে এই প্ৰতিযোগিতাত অংশ লয়। এই অনুষ্ঠানতে ১৩ গৰাকী সমাজকৰ্মী আৰু সাংবাদিকক সম্বৰ্ধনা জনোৱা হয়।

০০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে আন আন বছৰৰ দৰে এইবাৰো বাতৰি বিভাগৰ তৰফৰ পৰা এখন অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি এই প্ৰতিযোগিতাৰ ভাষা হ'ব অসমীয়া আৰু সময় ১ মিনিট নিৰ্ধাৰণ কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কত সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি আকাশবাণীৰ বাবে উপযুক্ত ৰূপত মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি এম-পি থ্ৰী ৰূপত ৯৭১৬৬৮০৯৬৯, ৯৮৬৪৩৯৩১৫৫ আৰু ৯৬১৯৬৮৬৬৫৯ নম্বৰত হোৱাট্ছএপত পঠিয়াব লাগিব। ২৪ ছেপ্তেম্বৰৰ সন্ধিয়া ৬ বজাৰ ভিতৰত লাভ কৰা হোৱাট্ছএপ বাৰ্তাহে প্ৰতিযোগিতাৰ বাবে বিবেচনা কৰা হ'ব। ইয়াৰ বাহিৰে আন কোনো ধৰণে দিয়া বাতৰিৰ বাৰ্তা গ্ৰহণযোগ্য নহ'ব। বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ আৰু প্ৰমাণপত্ৰৰে সন্মানিত কৰা হ'ব আৰু প্ৰথম বিবেচিত তিনিটা বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত প্ৰচাৰ কৰা হ'ব।

০০০০০

সমাপ্ত